**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 09-12-2024 **Time :** 0900 Hrs.

## Assamese Morning Bulletin
## Headlines

১। অসম মন্ত্ৰীসভাৰ চাৰিগৰাকী নতুন মন্ত্ৰীক আজি দপ্তৰ বিতৰণ। পুৰণি কেইবাগৰাকী মন্ত্ৰীৰ দপ্তৰৰ সাল-সলনিৰ সম্ভাৱনা।

২। অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায়, ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন আৰু আনন্দৰাম বৰুৱা বঁটাৰ অগ্ৰগতি সন্দৰ্ভত জিলা আয়ুক্তসকলৰ সৈতে মুখ্যমন্ত্ৰীৰ বৈঠক।

৩। সৰুপথাৰ সম-জিলাত আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ১৯ কোটি টকা ব্যয়সাপেক্ষে বহুকেইটা প্ৰকল্প উদ্বোধন।

৪। জাগীৰোডৰ ইতিহাস প্ৰসিদ্ধ জোনবিলৰ পাৰত অহা ১৬ জানুৱাৰীৰ পৰা জোনবিল মেলা।

*আৰু*

৫। ভাৰতীয় বেডমিণ্টন তাৰকা অশ্বিনী পোনাপ্পা আৰু টানিছা ক্ৰাষ্ট' যুটীৰ গুৱাহাটী মাষ্টাৰ্ছ ছুপাৰ হাণ্ড্ৰেড প্ৰতিযোগিতাৰ মহিলাৰ ডাবলছৰ খিতাপ দখল।

ooooooo

অসম মন্ত্ৰীসভাত নতুনকৈ অন্তৰ্ভুক্ত চাৰিগৰাকী মন্ত্ৰীক আজি দপ্তৰ বিতৰণ কৰা হ'ব। নতুন মন্ত্ৰীক দপ্তৰ বিতৰণ কৰাৰ লগতে মন্ত্ৰীসভাৰ পুৰণি কেইবাগৰাকীও মন্ত্ৰীৰ দপ্তৰ সাল-সলনি কৰাৰ সম্ভাৱনা আছে। মুখ্যমন্ত্ৰী শৰ্মাই আজি দিনৰ ১২ বজাৰ ভিতৰত দপ্তৰ বিতৰণ কৰা হ'ব বুলি জানিবলৈ দিছে। আজি দপ্তৰ বিতৰণ কৰিবলগীয়া নতুন মন্ত্ৰীকেইগৰাকী হৈছে - প্ৰশান্ত ফুকন, কৌশিক ৰায়, কৃষ্ণেন্দু পাল আৰু ৰূপেশ গোৱালা। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই নতুন মন্ত্ৰীৰ শপত গ্ৰহণ হৈ যোৱাৰ পাছতে বৰ্তমানৰ মন্ত্ৰীসভাৰ সদস্যসকলৰ হাতত থকা অতিৰিক্ত বিভাগসমূহ নতুন মন্ত্ৰী চাৰিগৰাকীক দিয়া হ'ব বুলি স্পষ্ট কৰি দিছে।

ooooooo

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কালি অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায়, ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন আৰু আনন্দৰাম বৰুৱা বঁটাৰ অগ্ৰগতি সন্দৰ্ভত বুজ লোৱাৰ বাবে জিলা আয়ুক্তসকলৰ সৈতে ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে এখন বৈঠকত মিলিত হয়। বৈঠকত মুখ্যমন্ত্ৰীয়ে এই আঁচনিসমূহ সুচাৰুৰূপে পালন কৰাৰ বাবে জিলা আয়ুক্তসকলক তদাৰক কৰিবলৈ নিৰ্দেশ দিয়ে। বৈঠকত মন্ত্ৰী অজন্তা নেওগ, জয়ন্ত মল্লবৰুৱা, চন্দ্ৰমোহন পাটোৱাৰীকে ধৰি কেইবাগৰাকীও মন্ত্ৰীয়ে অংশগ্ৰহণ কৰে।

ooooooo

সৰুপথাৰ সম-জিলাত আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ১৯ কোটি টকা ব্যয়সাপেক্ষে বহুকেইটা প্ৰকল্প উদ্বোধন কৰিব। সেই অনুসৰি প্ৰায় ১৫ কোটি টকা ব্যয়সাপেক্ষে সৰুপথাৰ সম-জিলা অসামৰিক চিকিৎসালয় উদ্বোধন কৰা হ'ব। এই চিকিৎসালয়খনত ৯ টা বহিঃ বিভাগীয় কক্ষ, দুটা প্ৰসৱ কক্ষ, অস্ত্ৰোপচাৰ কক্ষ, নৱজাতকৰ বিশেষ যতন কক্ষ, জৰুৰীকালীন সেৱা কক্ষৰ লগতে অন্যান্য সুবিধাসমূহ থাকিব। অনুষ্ঠানত ২ কোটি টকা ব্যয়সাপেক্ষে সৰুপথাৰ গ্ৰাম্য ষ্টেডিয়াম আৰু সৰুপথাৰ ইন্দোৰ ষ্টেডিয়াম মুকলি কৰা হ'ব। ৪ হাজাৰ আসনযুক্ত এই গ্ৰাম্য ষ্টেডিয়াম এম জি এনৰেগাৰ বিত্তীয় সাহায্যৰে নিৰ্মাণ কৰা হৈছে। তদুপৰি প্ৰায় ২ কোটি টকা ব্যয়সাপেক্ষে সৰুপথাৰ ছুইমিংপুলৰ আধাৰশিলা স্থাপন কৰা হ'ব। অনুষ্ঠানত সৰুপথাৰ বিধানসভা সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকন উপস্থিত থাকিব।

ooooooo

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয়, যে ভাৰতীয় সনাতন সভ্যতাই সৃষ্টিৰ আদিৰেপৰা বৰ্তমানলৈকে সমাজত অস্পৃশ্যতা, উচ্চ-নীচৰ বিভেদ আঁতৰাই সকলোকে একেলগে থকাৰ বাবে প্ৰেৰণা যোগাই আহিছে। গুৱাহাটীৰ বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামত কালি বাল্মিকী সংগীত বিদ্যালয়ৰ উদ্যোগত অনুষ্ঠিত 'সমতাৰ ছন্দেৰে জীৱনৰ জয়গান' শীৰ্ষক সাংস্কৃতিক অনুষ্ঠানত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীয়ে এনেদৰে কয়। শ্ৰী শৰ্মাই ছাত্ৰ-ছাত্ৰীসকলৰ উৎকৃষ্ট কলাত্মক শৈলী প্ৰদৰ্শনৰ কথা উল্লেখ কৰি সংস্কৃতিৰ

মাধ্যমেৰে সমন্বয়ৰ পৰিৱেশ নিৰ্মাণ কৰাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে। তেওঁ কয়, যে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মহাপুৰুষ মাধৱদেৱৰ বৰগীত সুন্দৰভাৱে পৰিৱেশন কৰি ছাত্ৰ-ছাত্ৰীসকলে নিজৰ প্ৰতিভাৰ পৰিচয় দেখুৱাবলৈ সমৰ্থ হৈছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱক অসমীয়া জাতিৰ পিতৃস্বৰূপ বুলি অভিহিত কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে শংকৰদেৱে আজিৰপৰা ৫০০ বছৰ পূৰ্বে জাত-পাতৰ বিভেদ আঁতৰাই ঐক্যবদ্ধ সমাজ নিৰ্মাণৰ পৰিৱেশ গঢ়ি তুলিছিল। মুখ্যমন্ত্ৰী শৰ্মাই মহাপুৰুষ দুয়োগৰাকীৰ লগতে দামোদৰদেৱ, ভট্টদেৱকে ধৰি অন্যান্যসকলে দেখুৱাই যোৱা পথেৰে আগবাঢ়ি গৈ অসমীয়া সংস্কৃতিক সমৃদ্ধ কৰিবলৈ জনসাধাৰণক আহ্বান জনায়।

০০০০০০০

ৰাজ্য চৰকাৰৰ অসম চুক্তি ৰূপায়ণ বিভাগৰ উদ্যোগত অসম আন্দোলনৰ শ্বহীদসকলৰ স্মৃতিত কাইলৈ গুৱাহাটীত শ্বহীদ দিৱসৰ আয়োজন কৰা হৈছে। গুৱাহাটীৰ পশ্চিম বৰাগাঁৱত কাইলৈ দিনৰ ১০ বজাত আয়োজিত শ্বহীদ দিৱস অনুষ্ঠানত অসম আন্দোলনৰ শ্বহীদসকলক স্মৰণ কৰা হ'ব। এই অনুষ্ঠানতে অসম আন্দোলনৰ তথ্য কোষৰ ষষ্ঠ খণ্ডটো উন্মোচন কৰা হ'ব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি জয়পুৰত ৰাইজিং ৰাজস্থান বিশ্ব বিনিয়োগ শীৰ্ষ সন্মিলন ২০২৪ উদ্বোধন কৰিব। জয়পুৰ প্ৰদৰ্শনী আৰু কনভেন্সন কেন্দ্ৰত আয়োজন কৰা এই তিনিদিনীয়া সন্মিলনত প্ৰধানমন্ত্ৰী মোদীয়ে উদ্বোধনী ভাষণ দিব। প্ৰধানমন্ত্ৰীয়ে লগতে এই সন্মিলনত আয়োজন কৰা ৰাজস্থান বিশ্ব বাণিজ্য মেলাও উদ্বোধন কৰিব। সন্মিলনত ৰাজস্থানৰ মুখ্যমন্ত্ৰী ভজন লাল শৰ্মাকে ধৰি বহুকেইগৰাকী কেন্দ্ৰীয় মন্ত্ৰী উপস্থিত থাকিব। তদুপৰি ৫ হাজাৰৰো অধিক ব্যৱসায় আৰু বাণিজ্য প্ৰতিনিধি, আগশাৰীৰ উদ্যোগপতি, কূটনীতিবিদ আৰু বিনিয়োগকাৰীসকলে এই সন্মিলনত অংশগ্ৰহণ কৰিব।

এই শীৰ্ষ সন্মিলনত অংশীদাৰ ৰাষ্ট্ৰ হিচাপে ১৭খন দেশকে ধৰি মুঠ ৩২খন দেশে ভাগ ল'ব।

০০০০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ ৪১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, ডি আৰ এম ফ্ৰিকুৱেঞ্চি এহেজাৰ ২৬ কিলোহাৰ্টজ, এফ এম বেণ্ডৰ ১০০ দশমিক ৮ আৰু ১০১ দশমিক ৬ মেগাহাৰ্টজৰ লগতে **ফে'চবুক পেজ-এয়াৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিংতো** শুনিবলৈ পাইছে। এই বাতৰি আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০০০

মৰিগাঁও জিলাৰ জাগীৰোডৰ ইতিহাস প্ৰসিদ্ধ জোনবিলৰ পাৰত অহা ১৬ৰ পৰা ১৮ জানুৱাৰীলৈ ঐতিহাসিক জোনবিল মেলা অনুষ্ঠিত হ'ব। গোভা দেওৰজাৰ ৰাজপৰিষদ, জোনবিল মেলা উন্নয়ন সমিতি আৰু তিৱা ৰাজদৰবাৰে অলপতে গোভা দেওৰজাৰ নখোলা ৰাজভৱনত অনুষ্ঠিত দৰবাৰত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। পাহাৰ-ভৈয়ামৰ মিলক্ষেত্ৰ তথা বিভিন্ন জাতি-জনগোষ্ঠীৰ সমন্বয়ৰ প্ৰতীক জোনবিল মেলাত প্ৰায় ২০ খন গাঁৱৰ পৰা পাহাৰৰ উৎপাদিত সামগ্ৰী লৈ জোনবলি মেলাৰ পৰম্পৰাগত বিনিময় প্ৰথাত অংশগ্ৰহণ কৰিব। জোনবিল মেলা উপলক্ষে আমাৰ সংবাদদাতা ডালিম ফুকনৰ এক প্ৰতিবেদন–

***(বাইট)***

০০০০০০০

গদ্য সাহিত্যৰ জনক, কবিৰত্ন মহাপ্ৰভু দেৱ দামোদৰ দেৱৰ শিষ্য শ্ৰী শ্ৰী বৈকুণ্ঠনাথ ভাগৱত ভট্টাচাৰ্যৰ আজি ৪৬৬ সংখ্যক জয়ন্তী। ভাৰতীয় আঞ্চলিক ভাষাত পোনপ্ৰথম কথা-সাহিত্যৰ ৰচকগৰাকীক আজি সমগ্ৰ ৰাজ্যৰে সত্ৰ-নামঘৰসমূহৰ লগতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে দিনজোৰা কাৰ্যসূচীৰে স্মৰণ কৰিব। এই উপলক্ষে ভাগৱত পাঠ, আয়তীৰ কীৰ্তন, নাম-প্ৰসংগ আদি ভালেমান কাৰ্যসূচী অনুষ্ঠিত হ'ব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই মহাপুৰুষজনাৰ আৱিৰ্ভাৱ তিথি উপলক্ষে মহান অসমীয়াগৰাকীলৈ শ্ৰদ্ধা জ্ঞাপন কৰিছে।

০০০০০০০

চিৰাং জিলাৰ পাণবাৰী থানাৰ অন্তৰ্গত ঝাৰবিষপানীত কালি বন বিভাগৰ দলে অভিযান চলাই বন্য জন্তুৰ অংগ-প্ৰত্যংগসহ এজন লোকক গ্ৰেপ্তাৰ কৰে। বন বিভাগৰ দলটোৱে বাসুদেৱ ৰায় নামৰ লোকজনক গ্ৰেপ্তাৰ কৰাৰ লগতে তেওঁৰ বাসগৃহৰ পৰা নাহৰফুটুকীৰ হাৰ, হৰিণাৰ শিং আদি জব্দ কৰি ফৰেণচিক পৰীক্ষাৰ বাবে প্ৰেৰণ কৰিছে। বন্যজন্তুৰ অংগ-প্ৰত্যংগ সৰবৰাহত জড়িত আন এজন লোকক বিচাৰি বন বিভাগৰ দলটোৱে অভিযান অব্যাহত ৰাখিছে।

0000000

শ্ৰীভূমি জিলাৰ চুড়াইবাৰী আৰক্ষীয়ে কালি অসম-ত্ৰিপুৰা ৰাষ্ট্ৰীয় ঘাইপথত অভিযান চলাই প্ৰায় ৫ কোটি টকা মূল্যৰ কাহৰ ঔষধ জব্দ কৰে। এখন পিঁয়াজভৰ্তি ট্ৰাকত কলকতাৰ পৰা অসম হৈ ত্ৰিপুৰালৈ এই কাহৰ ঔষধখিনি কঢ়িয়াই নি থকা অৱস্থাত আৰক্ষীয়ে ঔষধখিনি জব্দ কৰে। ২৯৪ টা বাকচত এই ঔষধখিনি ট্ৰাকখনত কঢ়িয়াই অনা হৈছিল।

0000000

কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে ভাৰত আৰু ন'ৰৱেৰ মাজত ষ্টাৰ্টআপ সেঁতু মুকলি কৰাৰ বাবে প্ৰস্তাৱ আগবঢ়াইছে। দুয়োখন দেশে ব্যৱসায়িক সম্পৰ্ক শক্তিশালী কৰাৰ বিভিন্ন উপায় সন্দৰ্ভত আলোচনা অব্যাহত ৰখাৰ পৰিপ্ৰেক্ষতিত তেওঁ এই প্ৰস্তাৱ আগবঢ়ায়। শ্ৰীগোৱেলে উভয় দেশৰ মাজত দ্বিপাক্ষিক ব্যৱসায় আৰু বিনিয়োগ বৃদ্ধিৰ উদ্দেশ্য সংশ্লিষ্ট মন্ত্ৰালয়সমূহৰ সৈতে সহযোগিতাৰে এই ক্ষেত্ৰত দেখা দিয়া সমস্যাসমূহ সমূহীয়াভাৱে দূৰ কৰাৰ ক্ষেত্ৰত নিজৰ প্ৰতিশ্ৰুতিবদ্ধতা প্ৰকাশ কৰিছে। ভাৰতীয় উদ্যোগ মহাসংঘ চি আই আই-এ উদ্যোগ আৰু আভ্যন্তৰীণ বাণিজ্যিক প্ৰসাৰ বিভাগৰ উদ্যোগত মুম্বাইত আয়োজন কৰা ভাৰত-ন'ৰৱে ব্যৱসায়িক মঞ্চত ভাষণ দি তেওঁ এইদৰে কয়। শ্ৰীগোৱেলে ভাৰতক বিশ্বৰ বিনিয়োগৰ এক আকৰ্ষণীয় কেন্দ্ৰ হিচাপে অভিহিত কৰে আৰু ন'ৰৱেৰ কোম্পানীসমূহক আন্তঃৰাষ্ট্ৰীয় বজাৰৰ লাভ উঠাবলৈ ভাৰতত বিনিয়োগ কৰিবলৈ আহ্বান জনায়।

000000

বিদ্ৰোহীৰ ছিৰিয়া দখল, ৰাজ্যত বিদ্যুৎ বিতৰণ খণ্ড উন্নীতকৰণৰ কেন্দ্ৰীয় আঁচনিৰ প্ৰহসন, স্থানীয় প্ৰশাসন তথা ৰাইজৰ অজ্ঞাতে টোলগেট মুকলিক লৈ কোকৰাঝাৰ জিলাত জনসাধাৰণ ক্ষোভ প্ৰকাশ, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ পলাশবাৰী-শুৱালকুছি সংযোগী দলঙৰ ভূমি পূজন আদি বিভিন্ন বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে।

বিদ্ৰোহীৰ হাতত ৰাজধানী ডামাস্কাছৰ পতন ঘটাৰ লগে লগে মহম্মদ আল জোলানি নেতৃত্বাধীন এইছ টি এছ সংগঠনে মধ্যপশ্চিম এছিয়াৰ ৰাষ্ট্ৰ ছিৰিয়া দখল কৰে। দেশখনত ৰাষ্ট্ৰপতিৰ মূৰ্তি ধংসকে ধৰি ৰাষ্ট্ৰপতিৰ ভৱনত জনতাই লুটপাত কৰাৰ ঘটনাকলৈ বিশ্বৰ বিভিন্ন দেশে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। এই বাতৰিটো আজি দৈনিক জনমভূমি কাকতে **বিদ্ৰোহীৰ ছিৰিয়া দখল, ৰাষ্ট্ৰপতি সন্ধানহীন** শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে। একেটা বাতৰিকে দি আছাম ট্ৰিবিউন কাকতে **Syrian rebels end Assad family's 50 year rule** শিৰোনামেৰে মুখ্য বাতৰিৰ স্থান দিয়াৰ লগতে অসমীয়া খবৰকে ধৰি আজি প্ৰকাশিত প্ৰায়কেইখন কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠ অস্বাভাৱিকভাৱে হ্ৰাস পোৱাৰ বাবে মাজুলী-যোৰহাট জলপথত ফেৰী বা জাহাজ চলাচলত বিভিন্ন সমস্যাৰ সৃষ্টি হৈছে। কালি বিয়লি নিমাতি-দক্ষিণপাট ঘাট অভিমুখী এখন ফেৰী অৰ্ধশতাধিক যাত্ৰীসহ বালিচৰত আবদ্ধ হৈ পৰাৰ এটা বাতৰিক অসমীয়া প্ৰতিদিন কাকতে গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

আমাৰ অসম কাকতে ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ বোৰ্ড বি চি চি আইৰ শীৰ্ষ পদবীত অসম ক্ৰিকেট সন্থাৰ প্ৰাক্তন সম্পাদক দেৱজিৎ শইকীয়া অধিষ্ঠিত হোৱাৰ বাতৰিটো প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ৰাজ্যত বিদ্যুৎ বিতৰণ খণ্ডৰ উন্নয়ন আৰু পুনৰ গঠনৰ বাবে ২০২১ চনত গঠন হোৱা এখন অভিলাষী আঁচনিৰ অগ্ৰগতি অতি শামুকিয়া পৰ্যায়তে আছে। বিদ্যুৎ সংযোগ নথকা গ্ৰামাঞ্চলৰ পৰিয়ালৰ বিদ্যুৎ যোগানৰ অৰ্থে ৰূপায়ণ কৰা এই আঁচনিৰ অধীনত ৰাজ্যত যোৱা চাৰে তিনি বছৰে কোনো ধৰণৰ বিদ্যুৎ সংযোগ প্ৰদান কৰা হোৱা নাই। কেন্দ্ৰীয় আঁচনিখনৰ প্ৰহসনৰ এই বাতৰিটো দৈনিক **অসম কাকতে ৭০৬ কোটিৰ প্ৰকল্পৰ ফলাফল শূন্য** শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে।

কাকৰাঝাৰ জিলাৰ গোসাইগাঁও মহকুমাৰ অন্তৰ্গত ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ তেলপাৰাত নিৰ্মাণ কৰা টোলগেটখন সংশ্লিষ্ট বিষয়া তথা লেচী বাহিনীয়ে সকলোৰে অজ্ঞাতে মুকলি কৰি আঁতৰি যায়। ইয়াকে লৈ স্থানীয় প্ৰশাসন, দল-সংগঠন তথা অঞ্চলবাসীয়ে ক্ষোভ প্ৰকাশ কৰিছে। দৈনিক অগ্ৰদূত কাকতৰ এই বাতৰিৰ শিৰোনাম **কাম সম্পূৰ্ণ নৌহওঁতেই তিনিখন টোলগেট**।

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কালি ব্ৰহ্মপুত্ৰৰ ওপৰত পলাশবাৰী-শুৱালকুছি সংযোগী দলঙৰ ভূমি পূজান কৰাৰ বাতৰিটোক নিয়মীয়া বাৰ্তা কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

অহা এক-ডেৰ বছৰত ৰাজ্যৰ উন্নয়নৰ বিষয়টোক সৰ্বাধিক গুৰুত্ব দিয়া হ'ব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে ২০২৬ ৰ বিধানসভা নিৰ্বাচনত অগপ, বিজেপি মিত্ৰজোঁটৰ সৈতে থকাৰ ইংগিত দিয়াৰ এটা বাতৰি দ্যা ছেণ্টিনেল কাকতে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। বাতৰিৰৰ শিৰোনাম **Development will be main focus till Assembly poll : CM**।

oooooo

ভাৰতীয় বেডমিণ্টন তাৰকা অশ্বিনী পোনাপ্পা আৰু টানিছা ক্ৰাষ্ট'ৰ যুটীয়ে কালি গুৱাহাটী মাষ্টাৰ্ছ ছুপাৰ হাণ্ড্ৰেড প্ৰতিযোগিতাৰ মহিলাৰ ডাবলছৰ খিতাপ দখল কৰে। যুটীটোৱে কেৱল ৪৩ মিনিটতে চীনৰ প্ৰতিদ্বন্দ্বী লী হুৱা ঝৌ আৰু ৱাং জী মেঙক ২১-১৮, ২১-১২ পোনপটীয়া গেমত পৰাস্ত কৰে। পেৰিছ অলিম্পিকত দেখুওৱা বেয়া প্ৰদৰ্শনৰ পাছত এই বিজয়ৰে ভাৰতীয় যুটীটোৱে শক্তিশালী প্ৰত্যাৱৰ্তন কৰিলে।

ইপিনে পুৰুষৰ একক শাখাত সতীশ কুমাৰ কৰুণাকৰণে চীনৰ ঝু ছুৱান চেনক ২১-১৭, ২১-১৮ গেমত পৰাস্ত কৰি দ্বিতীয়বাৰৰ বাবে ছুপাৰ হাণ্ড্ৰেড খিতাপ দখল কৰে। মহিলাৰ একক শাখাত ভাৰতৰ অনমোল খৰবে ৭৮ মিনিটজোৰা খেলখনত অলপৰ বাবে চীনৰ প্ৰতিদ্বন্দ্বীৰ হাতত পৰাস্ত হয়। ইয়াৰ পূৰ্বে মালয়েছিয়াৰ ছিয়া ৰেইজি আৰু লুই চেং হাৱেই পুৰুষৰ ডাবলছ খিতাপ দখল কৰে।

oooooo

অষ্ট্ৰেলিয়া আৰু ভাৰতৰ মহিলা ক্ৰিকেট দলৰ মাজত চলি থকা এদিনীয়া শৃংখলাৰ কুইন্সলেণ্ডৰ ব্ৰীছবেনৰ এলেন ব'ৰ্ডাৰ ফিল্ডত অনুষ্ঠিত দ্বিতীয়খন খেলত অষ্ট্ৰেলিয়াই ভাৰতক ১২২ ৰানত পৰাস্ত কৰে। ৩৭২ ৰানৰ বিজয় লক্ষ্যৰে খেলি ভাৰতীয় মহিলা দলটোৱে ৪৪ অভাৰ ৫টা বলত আটাইকেইটা উইকেট হেৰুৱাই ২৪৯ ৰান সংগ্ৰহ কৰে। এই জয়ৰ জৰিয়তে অষ্ট্ৰেলিয়া দলটোৱে তিনিখনীয়া আন্তঃৰাষ্ট্ৰীয় শৃংখলাটোত ২-০ৰ অগ্ৰগতি লাভ কৰিছে। খেলখনত অষ্ট্ৰেলিয়াই নিৰ্ধাৰিত ৫০ অভাৰত ৮টা উইকেট হেৰুৱাই ৩৭১ ৰান সংগ্ৰহ কৰে। দলটোৰ হৈ জৰ্জিয়া ৱ'লে ৮৫টা বলত ১০১ ৰান সংগ্ৰহ কৰাৰ লগতে এলিছ পেৰীয়ে ৭৫টা বলত ১০৫ ৰান সংগ্ৰহ কৰে। এনাবেল ছাথাৰলেণ্ডে ৮ অভাৰ ৫টা বলত ৩৮ ৰানৰ বিনিময়ত ৪টা উইকেট দখল কৰে। ভাৰতৰ হৈ ৰীচা ঘোষে ৫৪ ৰান সংগ্ৰহ কৰে। শৃংখলাটোৰ অন্তিম মেচখন অহা ১১ ডিচেম্বৰত অনুষ্ঠিত হ'ব।

oooooo

বতৰৰ বতৰা–

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অসম আৰু অৰুণাচল প্ৰদেশৰ ঠাই বিশেষে আজি পাতলীয়া বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে। অহা ২৪ ঘণ্টাত অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ ঠাই বিশেষে আজি ঘন কুঁৱলী পৰাৰো সম্ভাৱনা আছে। অৰুণাচল প্ৰদেশৰ ওখ পাহাৰীয়া ঠাইসমূহত তুষাৰপাত হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰিছে।

আজিৰ দিনটোত গুৱাহাটীৰ সৰ্বনিম্ন তাপমাত্ৰা ১৬ দশমিক ৫ ডিগ্ৰী ছেলছিয়াছ হ'ব। আনহাতে, আজি সৰ্বোচ্চ তাপমাত্ৰা হ'ব ২৫ দশমিক ৯ ডিগ্ৰী ছেলছিয়াছ। উজনি অসমৰ উত্তৰ লখিমপুৰ নগৰত কালি উত্তৰ-পূৰ্বাঞ্চলৰ সৰ্বনিম্ন তাপমাত্ৰা ৮ দশমিক ৮ ডিগ্ৰী ছেলছিয়াছ ৰেকৰ্ড কৰা হয়।

oooooo